# OFFICE OF THE PRINCIPAL
# M.N.C. BALIKA MAHAVIDYALAYA
**NALBARI :: ASSAM :: PIN – 781335**

***Accredited 'A Grade' by NAAC*** ✆ ***98540-16768***

**Email : mncbm_nalbari@rediffmail.com, Website : www.mncbm.ac.in**


*Ref. No. MNCBM/* *Date: 20/05/2023*

প্ৰতি,

সন্মানীয় প্ৰাক্তন ছাত্ৰীবৃন্দ

সাদৰ সম্ভাষণ গ্ৰহণ কৰিব। ১৯৭৯ চনত স্থাপিত নলবাৰী জিলাৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ে বহুজনৰ সন্মিলিত প্ৰচেষ্টাত বৰ্তমান জ্ঞানৰ জ্যোতিৰে আলোকিত বটবৃক্ষৰ ৰূপ লৈছে। হেজাৰ হেজাৰ ছাত্ৰীয়ে প্ৰতি বছৰে নিজৰ সপোনৰ কলৰোলেৰে মহাবিদ্যালয়ৰ বাকৰি মুখৰ কৰি ৰাখে।জীৱনৰ গুৰুত্বপূৰ্ণ কালচোৱা আপুনিও এইখন মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে অতিবাহিত কৰিছিল । নিজৰ উদ্যম আৰু সাধনাৰ বলত আজি আপুনি নিজৰ সামাজিক জীৱনত প্ৰতিষ্ঠিত। মহাবিদ্যালয়ৰ প্ৰতিটো কোণে আপোনাৰ স্মৃতিৰ স্বাক্ষৰ বহন কৰিছে। আপোনাৰ স্মৃতি আৰু সান্নিধ্যৰে আকৌ এটা দিন জীপাল কৰিবলৈ অহা **ইং ২৮-০৫-২০২৩ তাৰিখে (দিনৰ ১০ বজাত)** মহাবিদ্যালয়ত এখনি **সতীৰ্থ সন্মিলনৰ** আয়োজন কৰা হৈছে।

আমাৰ মহাবিদ্যালয়ক প্ৰজ্ঞাৰ পথেৰে আগুৱাই নিবলৈ আপোনাৰ সহায়-সহযোগিতা আৰু দিহা পৰামৰ্শৰ অতিকৈ প্ৰয়োজন। সেয়েহে জীৱনৰ ব্যস্ততাৰ মাজতো এটা দিনৰ এখন্তেক সময় আপোন মহাবিদ্যালয়খনলৈ আহিবলৈ আপোনাক আন্তৰিকতাৰে আমন্ত্ৰণ জনালোঁ । আপোনাৰ উপস্থিতিয়ে আমাৰ একান্ত অভিলাষ।

সাদৰেৰে

ডঃ হীৰামণি তালুকদাৰ
ডঃ গীতিমা তালুকদাৰ
আহ্বায়ক, প্ৰাক্তন ছাত্ৰী সংস্থা

(ডঃ গাৰ্গী চক্ৰৱৰ্ত্তী)
অধ্যক্ষ

Principal
M.N.C. Balika Mahavidyalaya
Nalbari, Assam

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়
নলবাৰী, অসম

Click Here for Alumnae Registration:
https://mncbmonline.co.in/alumni/alumni_registration.php